স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

-14 ☐ NO-239 ☐ TUESDAY 5 NOVEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH

### কানৈ কলেজত 'ছত্ৰপতি শিৱাজীৰ কৃতিকৰ্মৰ জিলিঙনি' শীৰ্ষক বক্তৃতানুষ্ঠান

# নিজৰ প্ৰতি প্ৰেম থাকিলেহে দেশপ্ৰেম জাগিব পাৰেঃ ড° বন্তি সোণোৱাল

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৪ নৱেম্বৰ ঃ** 'নিজৰ প্ৰতি প্ৰেম থাকিলেহে দেশপ্ৰেম জাগিব পাৰে।' ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগ, সংস্কৃত বিভাগৰ যুটীয়া উদ্যোগত আৰু ভাৰতীয় ইতিহাস সংকলন সমিতি, ডিব্ৰুগড় জিলাৰ সহযোগত অনুষ্ঠিত বক্তৃতানুষ্ঠানত ডিব্ৰু মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপিকা ড° বন্তি ফুকন সোণোৱালে আজি এইদৰে কয়। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত 'ছত্ৰপতি শিৱাজীৰ কৃতিকৰ্মৰ জিলিঙনি' শীৰ্ষক বক্তৃতানুষ্ঠানত অধ্যাপিকাগৰাকীয়ে কয়— মাকৰ মুখেৰে ৰামায়ণ-মহাভাৰতৰ কাহিনী শুনি ছত্ৰপতি শিৱাজীয়ে ধৰ্মনিষ্ঠ হ'বলৈ শিকিছিল। সেয়েহে শিৱাজীয়ে শত্ৰুৰ লগতো ধৰ্মত থাকিহে যুঁজ দিছিল। তেওঁ পুনৰ কয়— ছত্ৰপতি শিৱাজীৰ পিতৃ যদিও ৰজা নাছিল তথাপি তেওঁ অদম্য সাহসেৰে শত্ৰুৰ লগত যুঁজি সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। অধ্যাপিকা ড° সোণোৱালে বক্তব্যত শিৱাজীৰ বাল্যকালৰ পৰা মৃত্যু পৰ্যন্ত সম্পূৰ্ণ জীৱন বৃত্তান্ত দাঙি ধৰে। অধ্যাপিকা জ্যোতিমঞ্জুৰী কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত ভাৰতীয় ইতিহাস সংকলন সমিতি, ডিব্ৰুগড় জিলাৰ সভাপতি, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই অসমৰ বীৰ লাচিত বৰফুকনৰ কৰ্মৰাজি সমগ্ৰ দেশৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ কৰাৰ সমান্তৰালভাৱে ছত্ৰপতি শিৱাজী মহাৰাজৰ লগতে দেশৰ অন্যান্য বীৰ-বীৰাংগনাসকলৰ কৰ্মৰাজিক সকলোৰে মাজত পৰিচয় কৰাৰ প্ৰয়োজনীয়তাৰ কথা অৱগত কৰি তেওঁলোকৰ কৰ্মৰাজিক আদৰ্শ হিচাপে গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। এনেধৰণৰ বক্তৃতানুষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা আৰু মূল্যবোধৰ জ্ঞান আহৰণ কৰা, ইতিহাস বুজাত সহায় কৰা, সাংস্কৃতিক আৰু ৰাষ্ট্ৰীয় গৌৰৱক সন্মান জনোৱা, আধুনিক প্ৰত্যাহ্বানৰ নীতি-নিৰ্দেশনা আয়ত্ত কৰা, ত্যাগক সন্মান জনোৱা আদি কথাবোৰ অনুধাৱন কৰাত সহায় কৰাৰ লগতে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাত যথেষ্ট সহায় কৰিব বুলি অধ্যক্ষ ড° শইকীয়াই অৱগত কৰে। বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° চন্দনা গোস্বামীয়ে আঁতধৰা অনুষ্ঠানটি উদ্বোধন কৰে কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে। অনুষ্ঠানটিত শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকৰ গগৈ, ভাৰতীয় ইতিহাস সংকলন সমিতি, ডিব্ৰুগড় জিলাৰ সহকাৰী সম্পাদক, কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতিপ্ৰসাদ ফুকন, ভাৰতীয় ইতিহাস সংকলন সমিতি, ডিব্ৰুগড় জিলাৰ সম্পাদক বিনিতা গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড° চয়নিকা গোস্বামীয়ে।